# 2017

# GEOGRAPHY

*Full Marks* : 70

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

1. Find out the correct answer of the following : 1×8=8
নিম্নোক্ত প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা :

*(a)* Which branch of geography includes the study of 'human migration'?
ভূগোল বিজ্ঞানৰ কোনটো শাখাই 'মানৱ প্ৰব্ৰজন' বিষয়টো সামৰি লয় ?

*(i)* Historical geography
ঐতিহাসিক ভূগোল

*(ii)* Political geography
ৰাজনৈতিক ভূগোল

*(iii)* Population geography
জনসংখ্যা ভূগোল

*(iv)* Cultural geography
সাংস্কৃতিক ভূগোল

*(b)* How many satellites does planet Saturn has?
শনি গ্ৰহৰ উপগ্ৰহৰ সংখ্যা কিমান ?

*(i)* 16

*(ii)* 18

*(iii)* 20

*(iv)* 22

(c) The single landmass that included all the continents, as suggested by Alfred Wegener, is known as

আলফ্ৰেড ওৱেগনাৰে কোৱা ধৰণে আটাইকেইখন মহাদেশকে সামৰি লোৱা একত্ৰিত ভূখণ্ডৰ নাম হ'ল

(i) Angaraland
আংগাৰা লেণ্ড

(ii) Pangaea
পাঞ্জিয়া

(iii) Laurasia
ল'ৰেছিয়া

(iv) Panthalassa
পান্থালাছা

(d) Fossils are found in which type of rock?

কোনধৰণৰ শিলত জীৱাশ্ম পোৱা যায়?

(i) Igneous
আগ্নেয়

(ii) Sedimentary
গেদীয়

(iii) Metamorphic
ৰূপান্তৰিত

(iv) None of the above
ওপৰৰ এটাও নহয়

(e) The greenhouse gas that destroys the ozone layer of the stratosphere is

ষ্ট্ৰেট'স্ফিয়াৰত থকা অ'যন গেছৰ স্তৰটোৰ ক্ষতিসাধন কৰিব পৰা সেউজ গৃহ গেছটোৰ নাম হ'ল

(i) carbon dioxide
কাৰ্বন ডাইঅক্সাইড

(ii) methane
মিথেন

(iii) chlorofluorocarbon
ক্ল'ৰ'ফ্লুৰোকাৰ্বন

(iv) sulphur dioxide
ছালফাৰ ডাইঅক্সাইড

(f) Monsoon wind is a/an

মৌচুমী বতাহ হ'ল এবিধ

(i) local wind
স্থানীয় বতাহ

(ii) periodic wind
সাময়িক বতাহ

(iii) regular wind
নিয়ত বতাহ

(iv) accidental wind
আকস্মিক বতাহ

(g) The shallow part of the ocean bottom that extends up to 200 m deep towards sea from shore belt is called

তটভূমিৰ পৰা 200 মিটাৰ গভীৰতালৈ সমুদ্ৰৰ ভিতৰ ফালে সম্প্ৰসাৰিত হৈ থকা সমুদ্ৰতলিৰ অংশটোৰ নাম হ'ল

(i) continental shelf
মহীসোপান

(ii) continental slope
মহীঢাল

(iii) deep-sea plain
গভীৰ সমুদ্ৰতল

(iv) ocean deep
সমুদ্ৰ খাত

(h) The black soil of Deccan Plateau is most suitable for which crop?

দাক্ষিণাত্য মালভূমিৰ ক'লা মাটি কোনবিধ শস্যৰ বাবে আটাইতকৈ উপযুক্ত ?

(i) Cotton
কপাহ

(ii) Wheat
ঘেঁহু

(iii) Rice
ধান

(iv) Tea
চাহ

2. Write short answers : 2×10=20

চমু উত্তৰ লিখা :

(a) Expand the terms GIS and GPS, the two modern technologies used in geography.

ভূগোল বিজ্ঞানত ব্যৱহাৰ হোৱা দুটা আধুনিক প্ৰযুক্তি GIS আৰু GPS ৰ সম্পূৰ্ণ সম্প্ৰসাৰণ কৰা।

(b) Name two interior layers of the earth separated by Mohorovicic discontinuity or Moho.

ম'হ'ৰ'ভিচিক বিচ্ছিন্নতাই পৃথক কৰা পৃথিৱীৰ অভ্যন্তৰৰ স্তৰ দুটাৰ নাম লিখা।

(c) To which types of rock the granite and marble belong?

মাৰ্বল আৰু গ্ৰেনাইট কোন শ্ৰেণীৰ শিলৰ অন্তৰ্গত?

(d) Which two erosional agents are responsible for the formation of landforms Monadnock and Inselberg?

ক্ষয়ীভৱনৰ কোন দুবিধ কাৰকৰ দ্বাৰা ম'নাড্‌নক আৰু ইনছেলবাৰ্গ নামৰ ভূ-অৱয়বৰ সৃষ্টি হয়?

(e) Name two different expressions of humidity.

আৰ্দ্ৰতাৰ দুই ধৰণৰ প্ৰকাশৰ নাম উল্লেখ কৰা।

(f) Mention any two favourable conditions for the occurrence of temperature inversion.

তাপ ব্যতিক্ৰমৰ বাবে সহায়ক হোৱা যি কোনো দুটা পৰিস্থিতিৰ উল্লেখ কৰা।

(g) Name two west-flowing rivers of Peninsular India.

ভাৰতৰ উপদ্বীপীয় অঞ্চলৰ দুখন পশ্চিমবাহিনী নৈৰ নাম লিখা।

(h) By which name the old alluvium and new alluvium of Ganga plain are known?

গংগা সমভূমিৰ পুৰণি পলসুৱা আৰু নতুন পলসুৱা মাটিক কি কি নামেৰে জনা যায়?

(i) Name two major river basins of Assam.
অসমৰ প্ৰধান নদী অৱবাহিকা দুখনৰ নাম লিখা।

(j) By which name the cyclonic storm occurs during the month of April is known in Bengal and Assam?
এপ্ৰিল মাহত প্ৰৱাহিত হোৱা চক্ৰবাত ধুমুহাবিধক বঙ্গ আৰু অসমত কি নামেৰে জনা যায়?

3. Distinguish the following in brief (any *five*) : 3×5=15
তলত দিয়াবোৰৰ চমুকৈ পাৰ্থক্য লিখা (যি কোনো পাঁচটা) :

(a) Physical weathering and Chemical weathering
ভৌতিক বিচূৰ্ণীভৱন আৰু ৰাসায়নিক বিচূৰ্ণীভৱন

(b) Weather and Climate
বতৰ আৰু জলবায়ু

(c) Tide and Ocean current
জোৱাৰ আৰু সাগৰীয় সোঁত

(d) Konkan coast and Malwa coast
কোংকন উপকূল আৰু মালৱা উপকূল

(e) Regur and Laterite soil of India
ভাৰতৰ ৰেগুৰ আৰু লেটেৰাইট মৃত্তিকা

(f) Arid and Semiarid region of India
ভাৰতৰ মৰু আৰু মৰুপ্ৰায় অঞ্চল

(g) Indian islands of the Arabian Sea and the Bay of Bengal
আৰব সাগৰত অৱস্থিত আৰু বঙ্গোপসাগৰত অৱস্থিত ভাৰতীয় দ্বীপপুঞ্জমালা

**4.** Define the following (any *four*) : 3×4=12

নিম্নোক্তসমূহৰ সংজ্ঞা লিখা (যি কোনো চাৰিটা) :

(a) Epeirogenic earth movement

মহীভাৱক ভূ-আন্দোলন

(b) Dewpoint

শিশিৰাংক

(c) Global warming

গোলকীয় উত্তপন

(d) Biome

বায়'ম

(e) Draught

অনাবৃষ্টি

(f) Bhabar belt

ভাবৰ বলয়

**5.** Why is India called a land of diversity? Explain. 5

ভাৰতবৰ্ষক বৈচিত্ৰ্যময় দেশ বুলি কিয় কোৱা হয়? বৰ্ণনা কৰা।

**6.** Draw a map of India, identify its international boundaries and locate the neighbouring countries. 5

ভাৰতবৰ্ষৰ এখন মানচিত্ৰ আঁকা, ইয়াৰ আন্তৰ্জাতিক সীমাৰেখাবোৰ চিনাক্ত কৰা আৰু প্ৰতিবেশী দেশসমূহৰ অৱস্থান দেখুওৱা।

*Or / অথবা*

Describe the east-flowing rivers of Deccan Plateau of India with the help of map. 5

মানচিত্ৰৰ সহায়ত ভাৰতবৰ্ষৰ দাক্ষিণাত্য মালভূমিৰ পূৰ্ববাহিনী নৈসমূহৰ বৰ্ণনা কৰা।

7. Identify the factors of India's climate and explain one of them. 5

ভাৰতবৰ্ষৰ জলবায়ুৰ কাৰকসমূহ চিনাক্ত কৰা আৰু যি কোনো এটা কাৰকৰ বিষয়ে বৰ্ণনা কৰা।

*Or* / *অথবা*

What is landslide? Discuss, how the human activities are responsible for the occurrence of landslide. 5

ভূমিস্খলন কি? মানুহৰ ক্ৰিয়াকাণ্ডই কিদৰে ভূমিস্খলন সংঘটিত কৰে, আলোচনা কৰা।

★★★